# **REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-NOV-2025
**Time :** 0755  Hrs

## ***Assamese Morning Bulletin***

——————————————————

ৰাজ্য চৰকাৰে স্বৰ্গদেউ চাওলুং চুকাফাৰ নামেৰে চৰাইদেউ জিলাত এখন নতুন গ্ৰীণফিল্ড বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লৈছে। এই বিশ্ববিদ্যালয়খনত কলা আৰু বিজ্ঞান শাখাৰ উপৰি বাণিজ্য আৰু ব্যৱসায় ব্যৱস্থাপনা পাঠ্যক্ৰমৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হ'ব আৰু এই বিষয়ত বিশ্ববিদ্যালয়খনক উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। ড০ শৰ্মাই কয়, যে অহা ২৫ নৱেম্বৰত আৰম্ভ হ'বলগীয়া বিধানসভাৰ অধিৱেশনত চুকাফা বিশ্ববিদ্যালয় স্থাপনৰ বাবে বিধেয়ক উত্থাপন কৰা হ'ব। মন্ত্ৰীসভাই ৰাজ্যত বহু বিবাহ নিষিদ্ধ কৰাৰ বাবে **অসম বহু বিবাহ প্ৰতিৰোধ বিধেয়ক ২০২৫** বিধানসভাত উত্থাপনৰ বাবে অনুমোদন জনায়। মুখ্যমন্ত্ৰীয়ে কয়, যে এই বিধেয়ক অনুসৰি পত্নী জীৱিত থকা অৱস্থাত বিবাহ বিচ্ছেদ নোহোৱাকৈ আন এগৰাকী বিবাহ কৰোৱা পুৰুষসকলে ৭ বছৰ পৰ্যন্ত কাৰাবাস খাতিব লাগিব। একেদৰে বহু বিবাহৰ বলি হোৱা নিৰ্যাতিতা মহিলা সকলকো আৰ্থিকভাৱে ক্ষতিপূৰণ প্ৰদানৰ বাবেও ব্যৱস্থা লোৱা হ'ব বুলিও ড০ শৰ্মাই উল্লেখ কৰে। অৱশ্যে ষষ্ঠ অনুসূচীৰ অধীনৰ অঞ্চলসমূহ তথা অনুসূচিত জনজাতিৰ লোকসকল এই বিধেয়কৰ আওঁতাৰ বাহিৰত থাকিব।

**বাইট (চি এম)**

মন্ত্ৰীসভাই শিৱসাগৰ, ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ আৰু হোজাই জিলাৰ খিলঞ্জীয়া ভূমিহীন পৰিয়ালৰ বাবে ৪০৭টা ভূমি নিষ্পত্তিৰ প্ৰস্তাৱতো অনুমোদন জনায়। তদুপৰি অসমৰ বিদ্যুৎ ক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে ৰাজ্যত সম্প্ৰতি চলি থকা আৰু আহিবলগীয়া শক্তি প্ৰকল্পসমূহৰ বাবে অনুমোদিত মূলধন বৃদ্ধিৰ ক্ষেত্ৰতো অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাই মহিলা বিশ্বকাপ ক্ৰিকেট জয়েৰে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই অনা উমা চেত্ৰীৰ ক্ৰীড়া কৃতিত্বৰ স্বীকৃতিস্বৰূপে ২৫ লাখ টকা আগবঢ়োৱাৰ কথাও ঘোষণা কৰে। উদ্যমিতাৰ বিকাশ ত্বৰান্বিত কৰাৰ বাবে কালি মন্ত্ৰীসভাৰ বৈঠকত অসম ষ্টাৰ্টআপ আৰু উদ্ভাৱন নীতি ২০২৫-৩০ত অনুমোদন জনোৱা হয়। মন্ত্ৰীসভাই উত্তৰ গুৱাহাটীৰ ৰংমহলত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ 'ষ্টেট অৱ আৰ্ট জুডিচিয়েল টাউনশ্বিপ'ৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্যৰ বাবে ৪৭৮ দশমিক ৭-৮ কোটি টকাৰ পুঁজিত প্ৰশাসনিক অনুমোদন জনায়।

০০০০০০

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনৰ পৰিয়ালসমূহক আজি ৰাজসাহায্যযুক্ত মচুৰ দাইল, চেনী আৰু নিমখ সুলভ মূল্যত যোগান আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কেন্দ্ৰীয়ভাৱে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই আঁচনিখনৰ শুভাৰম্ভ কৰিব। অনুষ্ঠানত ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা ইত্যাদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায় উপস্থিত থাকিব। এই আঁচনিৰ অধীনত ৰেচন কাৰ্ডপ্ৰাপ্ত পৰিয়ালে প্ৰতি মাহে ৬৯ টকাত মচুৰ দাইল, ৩৮ টকাত চেনি আৰু ১০ টকাত নিমখ ক্ৰয় কৰিব পাৰিব। এই বিশেষ মূল্য নৱেম্বৰ আৰু ডিচেম্বৰ মাহত প্ৰযোজ্য হ'ব। পৰৱৰ্তী পৰ্যায়ত ২০২৬ চনৰ জানুৱাৰীৰ পৰা অধিক সুলভ মূল্যত এই সামগ্ৰীসমূহ উপলভ্য হ'ব। বিশেষভাৱে তৈয়াৰী ১ কিলোগ্ৰামৰ পেকেটত এই সামগ্ৰীসমূহ প্ৰতিমাহে অন্ন সেৱা দিন অৰ্থাৎ ১ৰ পৰা ১০ তাৰিখৰ ভিতৰত ই-প'চ মেচিনৰ জৰিয়তে সুলভ মূল্যৰ দোকানসমূহৰ পৰা বিতৰণ কৰা হ'ব। ৰাজ্যৰ প্ৰায় ৭০ লাখ লোক এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব।

oooooo

পশ্চিম কাৰ্বি আংলঙৰ ৫ নম্বৰ ৰংহাং পৰিষদীয় সমষ্টিৰ অন্তৰ্গত চালনাত কালি কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড° তুলিৰাম ৰংহাঙে ৩১৫ টা পৰিয়ালক বিনামূলীয়া ভূমি পট্টা বিতৰণ কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰংহাঙে কয়, যে কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদত বসবাস কৰা প্ৰতিটো জাতি-জনগোষ্ঠীয়েই বিনামূলীয়াকৈ ভূমিৰ পট্টা লাভ কৰিব। উল্লেখযোগ্য যে পুৰ্থিমি আকেমাং শীৰ্ষক এই আঁচনিৰ জৰিয়তে পৰিষদৰ অন্তৰ্গত সৰ্বমুঠ ১ লাখ পৰিয়ালক বিনামূলীয়া ভূমিপট্টা বিতৰণ কৰা হ'ব।

oooooo

ডিব্রুগড় জিলা আইনী প্ৰাধিকৰণৰ উদ্যোগত কালি জিলাখনত এখন আইন সজাগতা সভা অনুষ্ঠিত হয়। সমগ্ৰ দেশতে প্ৰতিবছৰে ৯ নৱেম্বৰৰ দিনটো জিলা আইনী সেৱা প্ৰাধিকৰণ প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰা হয়। এই দিৱসৰ অংশ হিচাপে ডিব্রুগড়ত অনুষ্ঠিত সজাগতা সভাত সকলোৰে আইনী সেৱা লাভ কৰাৰ বাবে ন্যায় ব্যৱস্থাৰ সম বিতৰণত গুৰুত্ব আৰোপ কৰা হয়। আইনী সেৱা সৰ্ব সাধাৰণ মানুহে কিদৰে লাভ কৰিব পাৰে, সেই সন্দৰ্ভত সাংবাদিক মনজিৎ বৰাই মুখ্য অতিথিৰ ভাষণত বিতংভাৱে প্ৰকাশ কৰে।

oooooo

সমাপ্ত